এখেলৈ আহিবলৈ কগে। সেইৰূপে কচু নামে সেই কটকীটোৱে পৰ্ব্বতত উঠি নগাবোৰক নামি আহিবলৈ কলে। কিছু নগা পৰ্ব্বতৰ পৰা নামি আহিল। নেওগ ফুকনে সিহঁতক দায় ধৰি জিঁজিৰি লোৰা লগালে। ডিন্‌ছি বা ফাগুন মাহৰ ২৭ দিন গতে, হিন্দুমতে মঙ্গলবাৰ আৰু আহোমমতে ত্যাওত্যেও, সেইদিনা নগাই মাজনিশা ৰাতি পৰ্ব্বতৰ পৰা নামি আহি আমাৰ ভালেমান চিপাহী মাৰিলে। নেওগ ফুকন পলাই সাৰিল। ৰংপুৰীয়া চিপাহীবোৰে নগা কেতবিনিক গুলীয়াই মাৰিলে। নগাও ৰব নোৱাৰি যিপোনে পাৰে সিপোনে পলাই পৰ্ব্বতত উঠিলগৈ। মহাৰজা আৰু তিনিজনা ডাঙ্গৰীয়াই এইবাৰ্ত্তা শুনি নেওগ ফুকন আৰু চিপাহীবোৰক ধৰি আনিবলৈ আজ্ঞা কৰিলে। লাক্লি তাওচান বা ১৭৫৯-৬০ শকৰ ডিন্‌চিট বা জেঠমাহত, ৰৰতুৱৰীয়া নগা আৰু ৰৰহটীয়া নামচেঙ্গীয়া নগাই কাজিয়া কৰি ইটো-সিটোৱে কটাকটি কৰি ৰণ পাতিলে। সেই ৰণত গগৈ খুন্‌ৰাও পৰিল, আৰু নামচেঙ্গীয়া লথাং ডেকা পলাই ফাট মাৰিলে। এইবাৰ্ত্তা মহাৰাজা আৰু তিনিজনা ডাঙ্গৰীয়াই শুনি নগাৰ খুন্‌ৰাও-হঁতক ধৰিবলৈ আজ্ঞা কৰিলে। খুন্‌ৰাওহঁতক ধৰি আনিলে। হিন্থু খুন্‌ৰাওক জিঁজিৰি লোৰা লগালে। ৩৫২ ॥

কামেশ্বৰসিংহ চাৰিংৰজাৰ বিয়া।—আতপাচে ডিন্‌কাও বা শাওণ মাহত, আহোম মতে খুতচেও আৰু হিন্দুমতে দেওবাৰৰ দিনা, মহাৰজাৰ পুতেক চাৰিংৰজাৰ সৈতে চপাগুৰীয়া ৰৰবৰুৱাৰ জীয়েকৰ বিয়াৰ দিন স্থিৰ হল। দৰা আৰু কন্যাৰ দুয়োৰে গাত হালধি সানিলে। বিয়াৰ উৎসৱ কেইবাদিনো হল। আৰু অনেক ৰং-আনন্দ কৰিলে। ঢোল-ডগৰ শিঙ্গা-পেঁপা আদি নানান বাদ্যভাণ্ড কৰিলে। হিন্দু দেওবাৰৰ দিনা বিয়াৰ উৎসৱ পাতিলে। দৈ-গুৰে সৈতে হিন্দু-বোৰক জলপান কৰালে। ৩৫৩ ॥

নগা ৰাজ্যত পুৰন্দৰসিংহ।—লাক্লি কাবাও বা ১৭৬০ শকত, ডিন্‌চিট বা আঘোণ মাহত, ৰজাদেৱে পাত্ৰ-মন্ত্ৰী, ডাঙ্গৰীয়া, হাজৰিকা,

ছালকঠতো বহে, কিন্তু কাপৰৰ মচুলা নাই। যদি ডাঙৰীয়া আগে বহে তেতিয়া ৰবৰুৱাক এৰি চ'ৰাৰ ফুকন কেইজন মানুহৰ আঁৰতে দখিণ টুপে ভৰি ধুই খেৰত আঠু চোঙাই চ'ৰাৰ মাজেই গৈ পছিমফালে মেলাকঠত গত লাগি বহেগৈ।

স্বৰ্গদেৱৰ আজ্ঞাৰে কটকী গৈ নেমাতিলে নগৰলৈ ডাঙৰীয়াসকল নাহে। কোনো বৰুৱা, ফুকন স্বৰ্গদেৱৰ কাৰ্য্যৰ লোক স্বৰ্গদেৱৰ আজ্ঞা নহলে ডাঙৰীয়া তিনিজনাৰ ঘৰলৈ যাব নাপায়, আৰু ডাঙৰীয়াসকলক স্বৰ্গদেৱে বিদায় সময়ত বঁটাৰে পাতলি তামোল ভিতৰৰ পৰা তামুলীয়ে সজাই দিয়ে। হেঙ্গদানধৰাই ডাঙৰীয়াসকলৰ আগত দিলেই কিছু বিলম্ব নকৰি ডাঙৰীয়াসকল উঠি যাব পায়। আৰু ডাঙৰীয়াসকল ৰৰঘৰৰ টুপলৈ যাব লাগিলে আগে বৰবৰুৱা ৰৰঘৰৰ টুপলৈ যাব পায়। পাচেহে ডাঙৰীয়াসকল যায়। জখলামুখৰ মাটিতে শুধা লেকামেৰে ভৰি ধুই সোমাই যায়। খাটনীয়াৰে পাখিবিচনী নিএ, তামুলীয়ে হাঁচটিখন নিএ, টেকেলা বৰাই খালি তলচাখন নি ৰৰঘৰৰ টুপতে দিএ, ডাঙৰীয়াসকল তাতে বহে। এইমতে স্বৰ্গদেৱে কথাবাৰ্ত্তা হোৱাত ৰৰঘৰৰ টুপত স্বৰ্গদেও বহা কোঁঠাৰ পূৰভাগৰ উত্তৰফাললৈ সোমাই তিনি ৰবভণ্ডাৰ বৰুৱা বহে। কিন্তু সেই মৰ্য্যদা পালে আনো বহে। এই তিনিৰ দক্ষিণে সেই কোঁঠাৰ টুপৰ জোৰৰ চতিৰ পূৰমুৰৰ খুটাৰেপৰা টুপলৈকে জুৰি উত্তৰা-দখিণা শাৰীকৈ চ'ৰাৰ ফুকনসকল বহে। চমুৱা ফুকন কেজনা সেইটো চতিৰে পছিম মুৰৰ খুঁটাৰ ওচৰৰ পৰা টুপলৈ উত্তৰ-দখিণা শাৰীকৈ বহে, কিন্তু ডাঙৰীয়াসকল বহাত স্বৰ্গদেৱৰ সমুখে সেই চমুৱা ফুকন সকলৰ ওচৰেৰে পৰা পূৰলৈ জুৰি পূৱা-পছিমা শাৰীকৈ বহে। ওজা, লিগিৰা ও বন্দুৰা লিগিৰা পছিমখন চালিৰ তলত বহিব পায়। বন্দুৰা কেইটা, লিগিৰা, স্বৰ্গদেৱৰ ওচৰতে খাটৰ পছিমফালে থাকে। টুপৰ জোৰাৰ ঐ চতিৰ দখিণ হৈ টুপলৈ ওলাই বহিব নেপায়। ৰৰঘৰৰ টুপত বিষয়াসকল বহাৰ এই নিয়ম। ৩৬৩॥

চমটিয়াই দণ্ড কৰে ৰৰবৰুৱাৰ গতেই। খেৰবিচনী পোৱা চমুৱা ফুকন বৰুৱাসকল, আৰু মেলডগীয়া ফুকন, বৰুৱা আদিসকলেও চ'ৰাৰ ফুকনসকলৰ গতেই। তেওঁবিলাকৰ মেলৰ ভিতৰত আৰু টেকেলা দুলীয়া এই দুই খেলৰ মানুহক এওঁবিলাকে কোৰ, ঢকা, গঁতা, গঁৰাল দণ্ডহে কৰিব পাৰে। তিনিজনা ডাঙৰীয়াৰ দৰেই বৰফুকনে দণ্ড কৰে। কিন্তু চোৰক একেবাৰে অস্ত্ৰেৰে কাটে। উজনীত চাউডাঙৰ হতোৱা কটায়, ভাটীত হলে বুকুৰ হতোৱা কটায়। ৩৬৯ ॥

ঘৈণীসকলৰ নিয়ম।—স্বৰ্গদেৱৰ ঘৰত ডাঙৰীয়াসকলৰ ঘৈণীসকলক অমুক ডাঙৰীয়াৰ ঘৈণী বোলে। বৰবৰুৱা বৰফুকনকে যোখ্য কৰি ঘৈণীসকলক অমুক ফুকননী বা বৰুৱানী বোলে। চ'ৰাৰ ফুকনসকলৰ গতভকৈ গতিকে ইসকলৰ নিয়ম বিপৰীত আছে। ডাঙৰীয়ানীসকলৰ পহিচাঙ্গী নগৰৰ ভিতৰলৈ যেতিয়া যায় বৰখুণ বা বদ নাপাবৰ নিমিত্ত সৰুদৈয়া সিয়াজাপি মূৰত লৈ উজনীখন চাউডাঙৰ দুৱাৰে সোমাই সেইফালৰ চাউডাঙৰ চ'ৰাতে বহেগৈ। লগৰে বনুৱা মানুহ এজনী কলাপাত দুখনি নিব পায়, তাকে পাৰি দিয়ে, তাতে বহে। কোঁৱৰী-সকলৰ ঘৰলৈ গলেও সেইক্ৰমেই পাত দিএ, তাতে বহে। বৰবৰুৱা বৰফুকন আৰু চ'ৰাৰ ফুকনসকলৰ ঘৈণীসকল গলেও ডাঙৰীয়াসকলৰ ঘৈণীসকলৰ গতেই গৈ নগৰৰ সেই চাউডাঙৰ দ্বাৰেই সোমাই সেই চ'ৰাতেই বহেগৈ। কিন্তু ইবোলকৰ কলাপাত এখনীয়া আৰু ডাঙৰীয়ানীসকলতকৈ কিছো নাম। আৰু খেৰবিচনী পোৱা চমুৱা ফুকননী বা বৰুৱানীসকল গলেও পহিচাঙ্গীৰে গৈ নগৰ সোমাৰাত মাটিএ মূৰত জাপি লৈ ঐ দ্বাৰে সোমাই চাউডাঙৰ চ'ৰাতে ডাঙৰীয়ানী-সকল নামে। চ'ৰাৰ কেইজনাৰো কিছো নাম হৈ এখনীয়া কলা-পাতত বহে। কোঁৱৰীসকলৰ ঘৰতো এয়ে ক্ৰম। ইয়াৰ বাজে ফুকননী বা বৰুৱানীৰ পাত নাই, মাটিতে বহে।

উজনীখন চাউডাঙৰ দ্বাৰকে কালুগঁয়া দ্বাৰ, লিগিৰীদ্বাৰ, মাটিঘৰৰ দ্বাৰ বোলে। নামনিখন চাউডাঙৰ দ্বাৰকে কমলাবৰীয়া দ্বাৰ, গোসাঁই

